সৰ্বশক্তিমান আল্লাহে ৰাতিত হাত প্ৰসাৰিত কৰে, যাতে দিনত গুনাহ কৰা ব্যক্তিসকলে ৰাতিত তাওবা কৰে। এইদৰে তেওঁ দিনত হাত প্ৰসাৰিত কৰে, যাতে ৰাতিত গুনাহ কৰা ব্যক্তিসকলে দিনত তাওবা কৰে। এই ধাৰাবাহিকতা তেতিয়ালৈকে চলিব, যেতিয়ালৈকে সূৰ্য্য পশ্চিমফালৰ পৰা উদয় নহ'ব।

আবু মুছা ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে
কৈছেঃ "সৰ্বশক্তিমান আল্লাহে ৰাতিত হাত প্ৰসাৰিত কৰে, যাতে দিনত গুনাহ কৰা
ব্যক্তিসকলে ৰাতিত তাওবা কৰে। এইদৰে তেওঁ দিনত হাত প্ৰসাৰিত কৰে, যাতে ৰাতিত গুনাহ
কৰা ব্যক্তিসকলে দিনত তাওবা কৰে। এই ধাৰাবাহিকতা তেতিয়ালৈকে চলিব, যেতিয়ালৈকে
সূৰ্য্য পশ্চিমফালৰ পৰা উদয় নহ'ব।" [ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহে বান্দাৰ তাওবা কবূল কৰে। যদি বান্দাই দিনৰ পোহৰত কোনো গুনাহ কৰে আৰু ৰাতিত তাওবা কৰে তেন্তে আল্লাহে তাৰ তাওবা কবূল কৰে। এইদৰে যদি কোনোবাই ৰাতিত গুনাহ কৰি দিনত তাওবা কৰে, তেওঁ তাৰ তাওবাও কবূল কৰে। আনকি মহান আল্লাহে আনন্দিত হৈ বান্দাৰ তাওবা গ্ৰহণ কৰাৰ বাবে নিজৰ হাত প্ৰসাৰিত কৰে। এইদৰে তাওবাৰ দুৱাৰ সূৰ্য্য পশ্চিমফালৰ পৰা উদয় নোহোৱালৈকে খোলা থাকিব, অৰ্থাৎ পৃথিৱীৰ অন্তিম সময় পৰ্যন্ত খোলা থাকিব। কিন্তু যেতিয়া পশ্চিম ফালৰ পৰা সূৰ্য্য উদয় হ'ব তেতিয়া তাওবাৰ দুৱাৰ বন্ধ হৈ যাব।

http://sunnah.global/hadeeth/as/show/4318